জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯/২০২১

# অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আয়োজিত ৩৩ তম্ গুৱাহাটী গ্ৰন্থমেলা পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## কিতাপৰ সান্নিধ্য লাভৰ বাবে গ্ৰন্থমেলাৰ বাকৰিত ৰাইজৰ ভিৰ অসমৰ বৌদ্ধিক ক্ষেত্ৰৰ বাবে এক আশাপ্ৰদ দিশ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰকাশন পৰিষদৰ দ্বাৰা আয়োজিত ৩৩ তম্ গুৱাহাটী গ্ৰন্থমেলাৰ বাকৰিত উপস্থিত হৈ অসম চৰকাৰৰ জনসংযোগ বিভাগৰ বিপণীকে ধৰি বিভিন্ন গ্ৰন্থ বিপণী পৰিদৰ্শন কৰাৰ লগতে গ্ৰন্থপ্ৰেমীসকলৰ সৈতেও বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰীয়ে গ্ৰন্থমেলাত কিছুসংখ্যক গ্ৰন্থও ক্ৰয় কৰে। ইয়াৰ পিছতে গ্ৰন্থমেলাৰ বাকৰিত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা পঢ়ুৱৈ সমাজ আহি গ্ৰন্থমেলাথলীত যি বৌদ্ধিক পৰিৱেশৰ সৃষ্টি কৰিছে সেয়া অতিশয় আশাপ্ৰদ দিশ। এই মানৱীয়, উৎসৱমুখৰ বৌদ্ধিক পৰিৱেশ যাতে ৰাজ্যখনৰ বুকুত সদায় বৰ্তি থাকে তাৰ বাবে সহযোগিতা আগবঢ়াবলৈ তেওঁ সকলো শ্ৰেণীৰ জনসাধাৰণক আহ্বান জনায়। অসম বুকুত বিগত চাৰে চাৰি বছৰত গঢ় দিয়া শান্তিপূৰ্ণ পৰিৱেশৰ বাবে তেওঁ অসমৰ ৰাইজলৈ ধন্যবাদ জ্ঞাপন কৰে। আগন্তুক দিনত ৰাজ্যখনৰ বুকুত এনেকুৱা আৰু অধিক গ্ৰন্থমেলা আয়োজনৰ জৰিয়তে অসমৰ বুকুত এক বৌদ্ধিক জাগৰণৰ সৃষ্টি হ'ব বুলি আশা প্ৰকাশ কৰে। গ্ৰন্থমেলাসমূহত কিমান সংখ্যক পুথি বিক্ৰী হৈছে সেইটো ডাঙৰ কথা নহয় বুলি উল্লেখ কৰি এই গ্ৰন্থমেলাৰ বাকৰিত কিতাপৰ সান্নিধ্য লাভৰ বাবে বিপুল সংখ্যক জনতাৰ উপস্থিতি অসমৰ বৌদ্ধিক ক্ষেত্ৰৰ বাবে এক ইতিবাচক দিশ বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী গ্ৰন্থমেলাৰ আয়োজক অসম প্ৰকাশন পৰিষদৰ বিষয়ববীয়াসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি গ্ৰন্থমেলাথলীত ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে স্থাপন কৰা বিপণীত জনসংযোগ বিষয়া-কৰ্মচাৰীসকলৰ সৈতেও মত-বিনিময় কৰে। এই মত-বিনিয়মৰ সময়তে অসম প্ৰকাশন পৰিষদৰ বিষয়ববীয়াসকলে আজিৰ দিনটোলৈকে এই গ্ৰন্থ মেলাত ৮ কোটিৰো অধিক টকাৰ পুথি বিক্ৰী হৈছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে অসমৰ বৌদ্ধিক দিশৰ বাবে এয়া এক আশাপ্ৰদ দিশ বুলিও মন্তব্য কৰে।

আজিৰ এই গ্ৰন্থমেলা পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, শিক্ষা আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক অনুপম চৌধুৰী, প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাকে ধৰি অন্যান্য সকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
৮/০১/২০২১